**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-03-2025 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচী লৈ আজি পুৱা মৰিচাছত উপস্থিত হয়।
২। সুস্থ সমাজ সুনিশ্চিত কৰাত চিকিৎসক আৰু গৱেষকসকলে বৃহৎ ভূমিকা পালন কৰে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।
৩। লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে অতিৰিক্ত দাবী মঞ্জুৰীৰ দ্বিতীয় অংশ আৰু মণিপুৰৰ বাজেট সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে।
৪। পাকিস্তানৰ বেলুচিস্তানত আজি সশস্ত্ৰ সন্ত্ৰাসবাদীয়ে পেছাৱৰ কুৱেট্টা জাফৰ এক্সপ্ৰেছ ৰে’লগাড়ীৰ ওপৰত আক্ৰমণ চলাই ৪৫০ জনৰো অধিক যাত্ৰীক পণবন্দী কৰে।

আৰু

৫। এইচ এছ্ প্ৰণয় অল ইংলেণ্ড অ’পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচী লৈ আজি পুৱা মৰিচাছত উপস্থিত হয়। দেশখনৰ প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামে শ্ৰী মোদীক বিমান বন্দৰত আদৰণি জনায়। মৰিচাছৰ প্ৰধানমন্ত্ৰীৰ সৈতে বিমান বন্দৰত দেশখনৰ উপ-প্ৰধানমন্ত্ৰী, মুখ্য ন্যায়াধীশ, সংসদৰ অধ্যক্ষ, বিৰোধী দলপতি, বিদেশ মন্ত্ৰী, কেবিনেট সচিব, গ্ৰেণ্ড পোৰ্ট, জিলা পৰিষদৰ অধ্যক্ষ আৰু অন্যান্য বহু নেতাই প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে বিমান বন্দৰত মৰিচাছৰ প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামৰ আদৰণিয়ে তেওঁক অভিভূত কৰি তুলিছে। এই ভ্ৰমণে তেওঁক এগৰাকী মূল্যবান বন্ধুৰ সৈতে সময় কটোৱাৰ অপূৰ্ব সুযোগ দিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই ভ্ৰমণে ভাৰত আৰু মৰিচাছৰ মাজত বিভিন্ন ক্ষেত্ৰৰ সহযোগিতাৰ নতুন দুৱাৰ খুলি দিব। মৰিচাছৰ ৰাষ্ট্ৰপতি ধৰম গকুল, প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামৰ সৈতে আলোচনাত বহাৰ লগতে এটা সামূহিক কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী মোদী থকা হোটেলৰ সন্মুখত মৰিচাছবাসী ভাৰতীয়সকলে ভিৰ কৰে। প্ৰধানমন্ত্ৰীক তেওঁলোকে গীত, নৃত্য আৰু অন্যান্য সাংস্কৃতিক পৰিবেশনেৰে আদৰণি জনায়। শ্ৰী মোদীয়ে মৰিচাছৰ প্ৰবাসী ভাৰতীয়সকলৰ আদৰণিত আপ্লুত হোৱা বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰবাসী ভাৰতীয়সকলৰ ভাৰতৰ ঐতিহ্য, সংস্কৃতি আৰু প্ৰমূল্যৰ সৈতে থকা শক্তিশালী বান্ধোন সঁচাকৈয়ে প্ৰেৰণাদায়ক। তেওঁ এই ঐতিহাসিক আৰু আত্মিক বান্ধোন উত্তৰ প্ৰজন্মলৈ সঞ্চাৰিত হৈ থাকিব বুলি আশা প্ৰকাশ কৰে।

এই দুদিনীয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনত ভাৰতৰ পুঁজিৰে নিৰ্মাণ কৰা দক্ষতা বিকাশৰ পৰা আৰম্ভ কৰি আন্তঃগাঁথনিলৈকে বিভিন্ন খণ্ডৰ ২০টাৰো অধিক প্ৰকল্প মুকলি কৰিব। তেওঁ কাইলৈ মৰিচাছৰ ৰাষ্ট্ৰীয় দিৱস উদযাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দুয়োখন দেশে যোগ্যতা বিকাশ, বাণিজ্য আৰু বিত্তীয় অপৰাধকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো সহযোগিতামূলক চুক্তিত স্বাক্ষৰ কৰাৰ আশা আছে।

০০০০০০০

সুস্থ সমাজ সুনিশ্চিত কৰাত চিকিৎসক আৰু গৱেষকসকলে বৃহৎ ভূমিকা পালন কৰে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। পাঞ্জাৱৰ ভাটিণ্ডাত আজি অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ প্ৰথম সমাৱৰ্তন সমাৰোহত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে তেওঁৰ ভাষণত সুস্থ জীৱনশৈলী আৰু উন্নত কৃষি পদ্ধতি গ্ৰহণ কৰাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে কৃষি আৰু পৰিৱেশ বিশেষজ্ঞসকলৰ সৈতে আলোচনা কৰি গৱেষণাত ব্ৰতী হ’বলৈ এইমছৰ

চিকিৎসকসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে জনসাধাৰণক নিচাযুক্ত দ্ৰব্যৰ আসক্তিৰ পৰা হ'ব পৰা শাৰীৰিক আৰু মানসিক ক্ষতিৰ বিষয়ে সজাগ কৰি তোলা উচিত। তেওঁ লগতে এই সন্দৰ্ভত আধ্যাত্মিক আৰু সামাজিক সংস্থাসমূহৰ সহযোগত গণ সজাগতা অভিযান চলোৱাৰ পোষকতা কৰে। সমাৰোহত ৰাষ্ট্ৰপতিগৰাকীয়ে নতুনকৈ স্নাতক ডিগ্ৰী লাভ কৰা চিকিৎসকসকলক পদক আৰু ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

0000000

লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে অতিৰিক্ত দাবী মঞ্জুৰীৰ দ্বিতীয় অংশ আৰু মণিপুৰৰ বাজেট সন্দৰ্ভত আজি আলোচনা আৰম্ভ হয়। চৰকাৰে অতিৰিক্ত দাবী মঞ্জুৰীৰ জৰিয়তে চলিত বিত্তীয় বৰ্ষত অতিৰিক্ত ৫১ হাজাৰ ৪৬২ কোটি টকা ব্যয়ৰ বাবে সংসদৰ অনুমোদন বিচাৰিছে। অতিৰিক্ত দাবী মঞ্জুৰী সম্পৰ্কীয় আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ গৌৰৱ গগৈয়ে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত শুল্ক সন্দৰ্ভত আলোচনা হোৱা বুলি ওলোৱা বাতৰিক লৈ চৰকাৰক প্ৰশ্ন কৰে। দেশৰ অসংগঠিত খণ্ডৰ বিষয়ে উল্লেখ কৰি কংগ্ৰেছ সাংসদগৰাকীয়ে মেক ইন ইণ্ডিয়া উদ্যমক লৈ প্ৰশ্ন অৱতাৰণা কৰে।

বিজেপিৰ বিপ্লৱ কুমাৰ দেৱে আলোচনাত ভাগ লৈ কয়, যে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন উদ্যমৰ জৰিয়তে মণিপুৰত উন্নয়নৰ সূচনা কৰিছে আৰু ৰাজ্যখনৰ দূৰণিবটীয়া এলেকাসমূহত যোগাযোগ আৰু বিকাশৰ গতি ত্বৰান্বিত হৈছে। তেওঁ কয়, যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৭৫ শতাংশ এলেকাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰিছে। মোদী চৰকাৰৰ প্ৰচেষ্টাৰ বাবেই ২০১৪ চনৰে পৰা উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি ঘূৰি আহিছে আৰু অঞ্চলটোৰ উন্নয়ন হৈছে বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। সমাজবাদী পাৰ্টীৰ  সাংসদ নিৰজ মৌৰ্যই কয়, যে কেন্দ্ৰীয় চৰকাৰে মণিপুৰলৈ শান্তি ঘূৰাই অনাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। তেওঁ লগতে উত্তৰ প্ৰদেশত কৃষকসকল সন্মুখীন হোৱা বিভিন্ন বিষয় উত্থাপন কৰে।

মণিপুৰৰ কংগ্ৰেছ সাংসদ আলফ্ৰেড কন্নগম এছ আৰ্থাৰে আলোচনাত ভাগ লৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ উপত্যকাসমূহৰ বাবে অসমানুপাতিক প্ৰকল্পত অনুমোদন দিয়া বুলি অভিযোগ উত্থাপন কৰে। চৰকাৰে ৯৫ শতাংশ জনজাতীয় লোক বাস কৰা পাৰ্বত্য এলেকাসমূহক অৱহেলা কৰা বুলিও তেওঁক অভিযোগ তোলে। তেওঁ কয়, যে বিনিয়োগ আৰু কৰ্ম সংস্থাপনৰ সুযোগৰ অভাৱত মণিপুৰৰ পাৰ্বত্য এলেকাসমূহ অপ্ৰয়োজনীয় হৈ পৰিছে।

0000000

পাকিস্তানৰ বেলুচিস্তানত আজি সশস্ত্ৰ সন্ত্ৰাসবাদীয়ে পেছাৱৰ কুৱেট্টা জাফৰ এক্সপ্ৰেছ ৰে'লগাড়ীৰ ওপৰত আক্ৰমণ চলাই ৪৫০ জনৰো অধিক যাত্ৰীক পণবন্দী কৰে। এই ঘটনাত কমেও ছজন সৈনিক নিহত হয়। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি বেলুচিস্তান প্ৰদেশৰ কুৱেট্টাৰ পৰা খাইবাৰপাখতুনখৱাৰ পেছাৱাৰ অভিমুখে গৈ থকা অৱস্থাত সংঘটিত এই আক্ৰমণৰ সময়ত ৰে'লগাড়ীখনত জুই লাগে আৰু কেইবাটাও দবা লাইনৰ পৰা বাগৰি পৰে বুলি বেলুচিস্তানৰ চৰকাৰৰ মুখপাত্ৰ শ্বাহিদ ৰিন্দে প্ৰকাশ কৰিছে। ইয়াৰ পাছতে সন্ত্ৰাসবাদীয়ে মহিলা আৰু শিশুকে ধৰি কেইবাগৰাকীও যাত্ৰীক সন্ত্ৰাসবাদীয়ে পণবন্দী কৰে। অঞ্চলটোত সন্ত্ৰাসবাদী গতি-বিধি চলাই থকা দা বেলুচ লিবাৰেচন আৰ্মি বি এল এ নামৰ বিচ্ছিন্নতাবাদী সন্ত্ৰাসবাদী সংগঠনটোৱে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। সংগঠনটোৱে সামৰিক অভিযান চলালে পৰিস্থিতি অধিক ভয়াৱহ হ'ব বুলি সকিয়াই দিছে।

000000

উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলে এতিয়া আৰু কামৰ বাবে অঞ্চলটো ত্যাগ কৰাৰ আৱশ্যকতা নাই আৰু তেওঁলোকে অঞ্চলটোতেই কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে প্ৰকাশ কৰিছে। Students' Experience in Inter-State Living নামৰ কাৰ্যসূচীৰ অধীনত আজি নতুন দিল্লীত  আয়োজিত যুৱ সংসদত উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলক উদ্দেশি ভাষণ দি শ্ৰী শ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২৭ চনৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ ৰাজধানী চহৰসমূহক ৰে'ল, বিমান আৰু পথ যোগাযোগ ব্যৱস্থাৰে সংযুক্ত কৰা হ'ব। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰৰ ওপৰত দেশৰ ভিতৰত সৰ্বাধিক ৰে'ল তথা পথ দলং নিৰ্মাণ কৰি থকা হৈছে। অসম আৰু ভূটানৰ মাজত ৰে'লপথ নিৰ্মাণৰ কামো আৰম্ভ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

চৰকাৰে উজলা আঁচনিৰ অধীনত বৰ্তমানলৈকে সমগ্ৰ দেশত প্ৰায় ৩৭ কোটি এল ই ডি বাল্ব বিতৰণ কৰিছে। ৰাজ্যসভাত এটা লিখিত উত্তৰত কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই আঁচনিৰ ৰূপায়ণৰ ফলত প্ৰতি ঘণ্টাত প্ৰায় ৪ হাজাৰ ৮০০ কোটি কিলোৱাট শক্তি ৰাহি হৈছে। তেওঁ কয়, যে এল ই ডি বাল্বসমূহৰ নগন্য পৰিমাণৰ ক্ষতিকাৰক পদাৰ্থ থাকে আৰু সেয়েহে ইয়াৰ পৰা প্ৰদূষণৰ সম্ভাৱনা কম।

০০০০০০০

সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলে সীমান্তেৰে হোৱা চোৰাং বেহা ৰোধ কৰাৰ বাবে ভাৰত-বাংলাদেশ সীমান্তত অহৰ্নিশে পহৰা দি আছে বুলি কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে সীমান্ত সুৰক্ষা বাহিনীয়ে বিগত ১০ বছৰত দুহেজাৰ ৮০৬ কোটিৰো অধিক টকা মূল্যৰ অবৈধভাৱে সৰবৰাহ কৰা সামগ্ৰী জব্দ কৰিছে। তেওঁ কয়, যে সীমান্ত সুৰক্ষা বাহিনীয়ে ভাৰত-বাংলাদেশ সীমান্তত অবৈধ সৰবৰাহ আৰু চোৰাং বেহা ৰোধ কৰাৰ উদ্দেশ্যে বহুমুখী দৃষ্টিভংগী গ্ৰহণ কৰিছে। এনে দৃষ্টিভংগীৰ অংশ হিচাপে ২৪ ঘণ্টাই নিৰীক্ষণ আৰু তহল, নিয়োজিত সৈনিকৰ সংখ্যা বৃদ্ধি, সীমান্তত কাঁইটিয়া তাঁৰৰ বেৰ নিৰ্মাণ আৰু ৰাজ্য চৰকাৰ আৰু চোৰাংচোৱা সংস্থাসমূহৰ মাজত সমন্বয় বৃদ্ধিৰ দৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি শ্ৰী ৰায়ে জানিবলৈ দিয়ে।

০০০০০০০

ৰাজ্যসভাত শিক্ষা মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ দিগ্বিজয় সিঙে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দক্ষতাৰ বিকাশ আৰু প্ৰশিক্ষণৰ বিষয়সমূহ উত্থাপন কৰে। তেওঁ কয়, যে বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ-ছাত্ৰীসকলক কনিষ্ঠ গৱেষণা, জলপানি প্ৰদানত বিলম্ব ঘটিছে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয়সমূহৰ পৰা জি এছ টি সংগ্ৰহ কৰা আৰু পূৰ্বতে কেতিয়াও এনে হোৱা নাছিল বুলি অভিযোগ তোলে। বিজেপিৰ ঘনশ্যাম তিৱাৰীয়ে আলোচনাত ভাগ লৈ কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশৰ শিক্ষা ব্যৱস্থাৰ ৰূপান্তৰৰ বাবে ভালেমান পদক্ষেপ লৈছে। সমগ্ৰ শিক্ষা অভিযানৰ বাবে ৪১ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে। শ্ৰী তিৱাৰীয়ে কয়, যে এতিয়ালৈকে চাৰে ১৪ হাজাৰৰো অধিক বিদ্যালয় আধুনিকীকৰণ কৰা হৈছে। তৃণমূল কংগ্ৰেছৰ ঋতাব্ৰত বেনাৰ্জীয়ে কয়, যে বাজেটত শিক্ষা খণ্ডৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ব্যয় মুঠ ঘৰুৱা উৎপাদনত দশমিক ৩ - ৭ শতাংশ ধাৰ্য কৰা হৈছে আৰু এই পৰিমাণ বৃদ্ধি কৰাৰ আৱশ্যকতা আছে। তেওঁ লগতে কৰ্ম সংস্থাপনহীনতাৰ বিষয়টোও উত্থাপন কৰে।

০০০০০০০

ভাৰতৰ এইচ এছ প্ৰণয় বাৰ্মিংহামত অনুষ্ঠিত অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। প্ৰণয় আজি বিয়লি অনুষ্ঠিত পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত ফ্ৰান্সৰ ট'মা জুনিয়ৰ প'পোভৰ হাতত ১৯-২১, ১৬-২১ পোনপটীয়া গেমত পৰাজিত হয়।

অলিম্পিকত দুবাৰকৈ বঁটা বিজেতা পি ভি সিন্ধু কাইলৈ মহিলাৰ ছিংগলছত আৰু সপ্তম বাছনিপ্ৰাপ্ত সাত্বিকচাইৰাজ ৰণকীৰেড্ডি আৰু ছিৰাগ চেট্টীৰ যুটিটো পুৰুষৰ ডাবলছত অৱতীৰ্ণ হ'ব। মহিলাৰ ডাবলছত তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দ তথা প্ৰিয়া কনজেংবাম আৰু শ্ৰুতি মিশ্ৰৰ যুটি দুটা প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। একেদৰে মিক্সড ডাবলছত ৰোহণ কাপুৰ আৰু ৰুত্ৰিকা গড্ডে আৰু ধ্ৰুৱ কপিলা আৰু তানিশা ক্ৰাষ্ট'ৰ যুটি দুটাই দেশক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

**সমাপ্ত**